**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-12-2025 **Time :** 1100 Hrs.

**<u>ASSAMESE MIDDAY NEWS</u>**

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে চলাই থকা প্ৰতিবাদে কালি হিংসাত্মক ৰূপ ধাৰণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে কালি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ কৰে আৰু বাসগৃহটো লণ্ডভণ্ড কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত তিনিজন প্ৰতিবাদকাৰী আহত হয়। আনহাতে প্ৰতিবাদকাৰীৰ আক্ৰমণত এজন আৰক্ষীৰ জোৱানো আহত হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থা আৰু জাতীয় সংগঠনসমূহে যোৱা ১৫ দিন ধৰি অনশন কাৰ্যসূচীকে ধৰি আন্দোলন চলাই আহিছে। আনহাতে এই ভূমি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ বাবে বিষয়টোত চৰকাৰ বা স্বায়ত্তশাসিত পৰিষদে বৰ্তমান হস্তক্ষেপ কৰিব নোৱাৰে বুলি মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে। উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিশা অঞ্চলটোত বিদ্যুৎ কৰ্তনৰ লগতে ভাৰতীয় ন্যায় সুৰক্ষা সংহিতাৰ ২০২৩ৰ অধীনত ১৬৩ ধাৰাও জাৰি কৰা হয়। অনিৰ্দিষ্ট কাললৈ প্ৰশাসনে এই নিৰ্দেশা অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে সমগ্ৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীক সক্ষম হৈ থকাৰ নিৰ্দেশ দিয়ে। জিলাখনত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ বুজ লোৱাৰ বাবে যোৱা নিশা মন্ত্ৰী ৰণোজ পেগুও উপস্থিত হয়।

ইপিনে, কালি সন্ধিয়া তুলিৰাম ৰংহাঙৰ বাসগৃহৰ সন্মুখত অৱস্থান কৰি থকা প্ৰতিবাদকাৰীক আঁতৰাবলৈ চেষ্টা কৰোতে আৰক্ষীৰ সৈতে হতাহতি সৃষ্টি হয়। এই হিংসাত্মক পৰিস্থিতিৰ পাছতে তুলিৰাম ৰংহাঙৰ ডিফুৰ চৰকাৰী বাসভৱনতো কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কাৰ্বি আংলঙৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা টুটু কোঁৱৰ-

বাইট

০০০০০০০

নিৰ্বাচন আয়োগে অসমৰ সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নতুনকৈ এহেজাৰ ৮৩০ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰ ফলত ৰাজ্যখনত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৩১ হাজাৰ ৪৮৬ লৈ বৃদ্ধি পাব। ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, পূৰ্বে ৰাজ্যখনত ২৯ হাজাৰ ৬৫৬ টা ভোটগ্ৰহণ কেন্দ্ৰ আছিল। নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনা অনুসৰি এটা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ তকৈ অধিক ভোটদাতাই ভোটদান কৰিব নোৱাৰিব। এই নিৰ্দেশনামৰ্মে ৰাজ্যৰ নিৰ্বাচন বিভাগে ভোটগ্ৰহণ কেন্দ্ৰসমূহত নিৰ্দিষ্ট সংখ্যক ভোটদাতাক ভোটদানৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰাৰ বাবে ভোটগ্ৰহণ

কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ কৰিছিল। সকলো দিশ চালি-জাৰি চাই নিৰ্বাচন আয়োগে ৰাজ্যখনত অহা বছৰ হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ অনুমোদন জনায়। ইপিনে, ৰাজ্যত সম্প্ৰতি ফটোযুক্ত ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনী অব্যাহত আছে। ২০২৬ চনৰ এক জানুৱাৰীক ভিত্তি বৰ্ষ হিচাপে লৈ চলি থকা এই প্ৰক্ৰিয়াৰ অধীনত বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ পৰীক্ষণ কৰিছে।

অহা ২৭ ডিচেম্বৰত খচৰা ভোটদাতা তালিকা প্ৰকাশ কৰা হ'ব। এই তালিকাক লৈ জনসাধাৰণে অহা বছৰৰ ২২ জানুৱাৰীৰ ভিতৰত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ইয়াৰ পাছত ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকা প্ৰকাশ পাব। এই তালিকা নতুনকৈ সংযোজিত ভোটগ্ৰহণ কেন্দ্ৰসমূহক লৈ প্ৰকাশ কৰা হ'ব। ইয়াৰ ফলত পূৰ্বে অন্য ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰা একাংশ ভোটদাতাই সমীপৰ আন ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব লাগিব।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত তামুলপুৰ জিলাত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ তামুলপুৰ জিলাৰ সংবাদদাতা নয়নজ্যোতি দাসে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

অসম শিল্পী সমাজৰ স্বাস্থ্য সুৰক্ষাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে শিল্পী সাহায্য বীমা আঁচনি ৰূপায়ণৰ বাবে বিশেষ অনলাইন পোৰ্টেল মুকলি কৰিছে। শাৰিৰীক অসুস্থতা, চিকিৎসা ব্যয় আদিৰ ফলত আৰ্থিক সমস্যাৰ সন্মুখীন হোৱা শিল্পীসকলক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি মুকলি কৰিছে। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ শিল্পীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিল্পীসকলে এই আঁচনিৰ জৰিয়তে ৩ লাখৰ পৰা ৬ লাখ টকালৈ আৰ্থিক সাহায্য লাভ কৰিব। ইয়াৰ বাবে অনলাইন পোৰ্টেলত ৭ জানুৱাৰীৰ নিশা ১২ বজালৈ আবেদন কৰিব পাৰিব।

0000000

**সমাপ্ত**